**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

অসম সত্ৰভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগে বিস্তৃত ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণৰ দ্বাৰা প্ৰস্তুত কৰা চূড়ান্ত প্ৰতিবেদন কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দাখিল কৰে। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত সমিতিখনে এই প্ৰতিবেদন আনুষ্ঠানিকভাৱে দাখিল কৰে। প্ৰতিবেদন গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালিৰ দিনটোত অসমৰ জাতীয় স্বাভিমান সুৰক্ষাৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। এই পদক্ষেপৰ সৈতে জড়িত অসম সত্ৰ আয়োগৰ অধ্যক্ষ, ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী প্ৰদীপ হাজৰিকা, আয়োগৰ সদস্যদ্বয় বিধায়ক মৃণাল শইকীয়া, ৰূপক শৰ্মাৰ উপৰি সমূহ বিষয়া-কৰ্মচাৰীক মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰে। সত্ৰসমূহক অসমৰ জাতীয় জীৱনৰ স্পন্দন বুলি অভিহিত কৰি ৰাজ্যৰ সত্ৰসমূহৰ সন্মুখত প্ৰত্যাহ্বান আহি পৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বৰপেটা, পাটবাউসীকে ধৰি কেইখনমান সত্ৰৰ উন্নয়নৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। অৱশ্যে ৯২২ খন সত্ৰলৈ পৰিৱৰ্তন অনাটো সহজ কাম নহয় আৰু ইয়াৰ বাবে সামাজিক আৰু ৰাজনৈতিক সহযোগিতাৰ প্ৰয়োজন আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণাংগ সত্ৰ আয়োগ গঠন কৰি সত্ৰসমূহলৈ আইনগত আৰু আৰ্থিক সহযোগিতা প্ৰদানৰ পৰিকল্পনা লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰতিখন সত্ৰৰ সৈতে বৈঠক অনুষ্ঠিত কৰি ২৫ বছৰীয়া পৰিকল্পনা গ্ৰহণ কৰা হ'ব। কালিৰ অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিমল বৰা, অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকা প্ৰমুখ্যে সদস্যসকল আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

oooooo

ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে। অৱশ্যে ৯ খন জিলাৰ প্ৰায় ৩৯০ খন গাঁৱৰ ১ লাখ ৬০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বছৰৰ প্ৰথমটো বান আৰু ভূমিস্খলনত এতিয়ালৈকে ২৭ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে বানপীড়িত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪৩ টা আশ্ৰয় শিবিৰত ছহেজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। ৰাজ্যখনৰ নদীসমূহ বৰ্তমান বিপদসীমাৰ তলেৰে বৈ আছে।

oooooo

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰেচম বিভাগৰ জিলা পৰ্যায়ৰ বাচনি সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন -গ্ৰামীনৰ অধীনত এৰী পালনৰ যাৱতীয় সা-সজুলিৰ বিতৰণৰ বাবে ৰেচম উৎপাদনৰ লগত জড়িত বচা বচা মহিলা হিতাধিকাৰীৰ চূড়ান্ত

তালিকাত অনুমোদন জনোৱা হয়। ডিব্ৰুগড় জিলাত মুঠ ১২ গৰাকী ৰেচম উৎপাদনৰ লগত জড়িত মহিলা হিতাধিকাৰীক বাচি উলিওৱা হৈছে।

০০০০০০

চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকলক পাঁচ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে  আৰম্ভ কৰা **মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত** আঁচনিৰ এখন সভা কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত আয়ুক্ত বিক্ৰম কৈৰীয়ে জিলাখনৰ চাহ বাগিচাসমূহৰ কৰ্তৃপক্ষক নিজৰ নিজৰ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকলৰ আধাৰ কাৰ্ডৰ প্ৰতিলিপি, বেংক একাউণ্টৰ সবিশেষ জমা দিবলৈ আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, সহকাৰী আয়ুক্ত সুৰভি শ্ৰীবাস্তৱা, পূজা বৰা আদি উপস্থিত থাকে।

০০০০০০

অ' এন জি চিয়ে তেওঁলোকৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত অসমৰ লগতে ঝাৰখণ্ড, নাগালেণ্ড আৰু অন্ধ্ৰপ্ৰদেশত ৭৫ টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উন্নীতকৰণৰ ব্যৱস্থা কৰিছে। এই কেন্দ্ৰসমূহৰ ভিতৰত অসমৰ শিৱসাগৰ, যোৰহাট আৰু কাছাৰত ২৮ টা কেন্দ্ৰ আছে। এই কেন্দ্ৰসমূহত স্মাৰ্ট টি ভি, ব্লুটুথ স্পীকাৰ, শিক্ষামূলক সামগ্ৰী আদিৰ আধুনিক সুবিধা সংযোজন কৰা হৈছে। প্ৰায় পাঁচ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা অংগনবাড়ী কেন্দ্ৰসমূহৰ হস্তান্তৰ প্ৰক্ৰিয়া অলপতে শিৱসাগৰত আনুষ্ঠানিকভাৱে সম্পন্ন কৰা হয়।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে যোৰহাটতো জিলা প্ৰশাসনৰ সহযোগত জিলা কৃষি বিভাগে কৃষক পঞ্জীয়ন কাৰ্যসূচী অব্যাহত ৰাখিছে। জিলাখনৰ বিভিন্ন পঞ্চায়ত পৰ্যায়ত কৃষক পঞ্জীয়ন শিবিৰ সম্পন্ন হোৱাৰ পাছত সম্প্ৰতি জিলা কৃষি বিষয়াৰ কাৰ্যালয় আৰু সাধাৰণ সেৱা কেন্দ্ৰসমূহত এই প্ৰক্ৰিয়া চলি আছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে এই কৃষক পঞ্জীয়নৰ প্ৰয়োজন হয়।

০০০০০০

গোলাঘাট আইন মহাবিদ্যালয়ত ৫ বছৰীয়া আইন পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ১৯৭৯ চনত গোলাঘাট নগৰৰ বেঙেনাখোৱাত স্থাপন কৰা আইন শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠানখনত এইবছৰৰ পৰা ৫ বছৰীয়া আইনী পাঠ্যক্ৰমৰ সংযোজনে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে। শেহতীয়াকৈ বাৰ কাউঞ্চিল অব্ ইণ্ডিয়াই ৫ বছৰীয়া আইন স্নাতক পাঠ্যক্ৰমত অনুমোদন জনোৱা কাৰ্যক মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু গোলাঘাটবাসী উৎফুল্লিত হৈ পৰিছে।

০০০০০০

হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা গজ মিত্ৰ কাৰ্যসূচীৰ অধীনত যোৰহাট জিলাকো সামৰি লোৱা হ'ব। কালি বিধানসভাত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে হাতী-মানুহৰ সংঘাত সন্দৰ্ভত উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে যোৰহাট জিলাৰ গিবন অভয়াৰণ্যৰ পৰা যাতে হাতী জনাঞ্চললৈ ওলাই আহিব নোৱাৰে তাৰবাবে চৰকাৰে সৌৰ বেৰ দিয়াৰ প্ৰকল্প লৈছে। সেই অনুসৰি ২০২৫-২৬ বৰ্ষত অভয়াৰণ্যখনৰ সমীপৰ ৬ কিলোমিটাৰ এলেকাত সৌৰ বেৰ দিয়া হ'ব। উল্লেখযোগ্য যে হাতী-মানুহৰ সংঘাত বৃদ্ধি পোৱা ছখন জিলা গোলাঘাট, গোৱালপাৰা, ওদালগুৰি, নগাঁও,

বাক্সা আৰু শোণিতপুৰত ইতিমধ্যে চৰকাৰে গজ মিত্ৰ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবদ ২০ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। ইয়াৰ জৰিয়তে ইয়াৰ জৰিয়তে হাতীৰ বাসস্থান নিশ্চিত কৰা, হস্তীকুলৰ গতিবিধি নিৰীক্ষণৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাচালিত কেমেৰা সংস্থাপন কৰা আৰু হাতীয়ে সঘনাই খাদ্য বিচাৰি ফুৰা অঞ্চলত আগতীয়াকৈ ধান ক্ৰয়ৰ ওপৰত গুৰুত্ব দিয়া হ'ব। একেদৰে যান-বাহন চলাচল কৰা পথ আৰু ৰে'লপথৰ মূল ক্ৰছিং পইণ্টত জীৱ-জন্তুৰ বাবে নিৰাপদ ক্ৰছিং নিশ্চিত কৰা হ'ব।

oooooo

সমাপ্ত